<u>প্ৰতিবেদনযোগ্য</u>

ভাৰতৰ উচ্চতম ন্যায়ালয়

দেৱানী আপীলীয় ক্ষেত্ৰাধিকাৰ

দেৱানী আপীল নং ৪২২৫/ ২০০৯

(বিশেষ অনুমতি আবেদন (দেৱানী) নং ১৪৯০৬/ ২০০৯ৰ পৰা উদ্ভৱ হোৱা)

জান্টিয়া হিল ট্ৰাক অওনাৰচ এছচিয়েচন

...........আপীলকাৰী

বনাম

শ্বাইলাং এৰিয়া কওল দিলাৰ এণ্ড ট্ৰাক অওনাৰচ এছচিয়েচন আৰু অন্যান্য

............ উত্তৰদাতাসকল

লগতে

দেৱানী আপীল নং ৪২২৬- ৪২২৭ / ২০০৯

(বিশেষ অনুমতি আবেদন (দেৱানী) নং ১৫৪৫০- ১৫৪৫১/ ২০০৯ৰ পৰা উদ্ভৱ হোৱা)

[চি.চি. নং ৯২২২- ৯২২৩/ ২০০৯ ]

শ্ৰীমতী মেম জুলেট পাছাহ

...........আপীলকাৰী

বনাম

শ্বাইলাং এৰিয়া কওল দিলাৰ এণ্ড ট্ৰাক অওনাৰচ এছচিয়েচন আৰু অন্যান্য

............ উত্তৰদাতাসকল

লগতে

দেৱানী আপীল নং ৪২২৮ / ২০০৯

(বিশেষ অনুমতি আবেদন (দেৱানী) নং ১৫৪৫২/ ২০০৯ৰ পৰা উদ্ভৱ হোৱা)

[চি.চি. নং ৯২২৪/ ২০০৯ ]

শ্ৰী মাইলিয়েমনগাফ

...........আপীলকাৰী

বনাম

শ্বাইলাং এৰিয়া কওল দিলাৰ এণ্ড ট্ৰাক অওনাৰচ এছচিয়েচন আৰু অন্যান্য

............ উত্তৰদাতাসকল

লগতে

দেৱানী আপীল নং ৪২২৯ / ২০০৯

(বিশেষ অনুমতি আবেদন (দেৱানী) নং ১৫৪৫৪/ ২০০৯ৰ পৰা উদ্ভৱ হোৱা)

[চি.চি. নং ৯২৩১/ ২০০৯ ]

শ্ৰী ট্ৰিনস্পিল কে. চাংমা

...........আপীলকাৰী

বনাম

শ্বাইলাং এৰিয়া কওল দিলাৰ এণ্ড ট্ৰাক অওনাৰচ এছচিয়েচন আৰু অন্যান্য

............ উত্তৰদাতাসকল

<u>ৰায়</u>

<u>ন্যায়াধীশ এচ.বি. সিনহা</u>

১. অনুমতি প্ৰদান কৰা হৈছে।

২. গৌহাটী উচ্চ ন্যায়ালয়ৰ এক খণ্ড বিচাৰপীঠৰ ২০০৯চনৰ ২৩জুনৰ এক ৰায় আৰু আদেশত উক্ত আবেদনসমূহৰ গোটৰ উদ্ভৱ হয়, যাৰ জৰিয়তে লগতে যাৰ অধীনত মেঘালয় চৰকাৰে ১১ ছেপ্টেম্বৰ, ২০০৩-ত মটৰ ভেহিকেল এক্ট (মটৰ বাহন আইন), ১৯৮৮ (সংক্ষেপে 'আইন')ৰ ১৩৮ (২) (b) ধাৰাৰ অধীনত জাৰি কৰা স্মাৰক পত্ৰক অবৈধ বুলি গণ্য কৰে আৰু *মেণ্ডেমাচ* (পৰমাদেশ) লেখ জাৰীৰ দ্বাৰা ইয়াৰ অধীনত ক্ষমতা প্ৰয়োগ কৰি নিয়ম প্ৰণয়ন কৰিবলৈ মেঘালয় চৰকাৰক নিৰ্দেশ দিয়া হৈছিল।

৩. এই বিষয়টোৰ মৌলিক তথ্য বিতৰ্কৰ বিষয় নহয়।

উচ্চ ন্যায়ালয়ত কেইবাখনো লেখ আবেদন দাখিল কৰি, অভিযোগ কৰা হৈছিল যে, মেঘালয় ৰাজ্যত সামগ্ৰী কঢ়িয়াই নিয়া ট্ৰাকে অসংখ্য স্থানত বিভিন্ন সুবিধাৰ বাবে যথেষ্ট পৰিমাণৰ ধন পৰিশোধ কৰিবলৈ বাধ্য হৈছে

যিবোৰ বিশদভাৱে চাৰি ভাগত বিভক্ত- (১) মেঘালয় ৰাজ্য চৰকাৰৰ দ্বাৰা নির্ধাৰিত বিভিন্ন নিয়ম আৰু চৰ্তত ৱেইব্ৰিজ (ওজন কৰা দলং) পৰিচালনা কৰা ব্যক্তিসকল; (২) ছিলেম আৰু চৰ্দাৰ নামেৰে জনাজাত স্থানীয় জনজাতীয় মুৰব্বীসকল; (৩) বায়ু (প্ৰদূষণ প্ৰতিৰোধ আৰু নিয়ন্ত্ৰণ) আইন, ১৯৮১ৰ ব্যৱস্থাসমূহ কার্যকৰী কৰা কর্তৃপক্ষ আৰু (৪) মেঘালয় ৰাজ্যৰ আৰক্ষী বিষয়াসকলক।

ছিলেম আৰু চৰ্দাৰসকলে স্থানীয় জনজাতীয় মুৰব্বী হিচাপে এনে টোল গেট (ৰাস্তাৰ কৰ সংগ্ৰহৰ উদ্দেশ্যে থকা দ্বাৰ) স্থাপন আৰু তাত পৰম্পৰাগত অধিকাৰ সাব্যস্ত কৰি মালবাহী বাহনৰ পৰা ধন সংগ্ৰহৰ কথা স্বীকাৰ কৰিছিল আৰু যিবোৰ ভাৰতৰ সংবিধানৰ ষষ্ঠ অনুসূচী আৰু ইয়াৰ অধীনত জিলা পৰিষদৰ সৃষ্ট আইনৰ দ্বাৰা সুৰক্ষিত।

অৱশ্যে টোল গেট স্থাপন কৰা চিলেম আৰু চৰ্দাৰসকলৰ অধিকাৰ আৰু তেওঁলোকৰ দ্বাৰা ধন সংগ্ৰহ সম্পৰ্কীয় একেবিষয়ক আপীল আবেদনকে ধৰি লেখ আবেদনৰ এক সমষ্টিৰ শুনানি খণ্ড খণ্ডকৈ উচ্চ ন্যায়ালয়ে লৈছিল।

এইটোও বিতৰ্কৰ বিষয় নহয় যে, উক্ত বিচাৰাধীন বিষয়সমূহত বিভিন্ন অন্তৰৰ্তীকালীন আদেশ প্ৰদান কৰা হৈছিল। গৌহাটী উচ্চ ন্যায়ালয়ে অৱশ্যে মেঘালয় ৰাজ্যত ৱেইব্ৰিজৰ অপাৰেটৰসকলে ধন সংগ্ৰহ কৰাৰ বৈধতা সম্পৰ্কে ছটা বিষয়ৰ শুনানি গ্ৰহণ কৰি মত প্ৰকাশ কৰে যে, টোল গেট স্থাপন আৰু অন্যান্য সংস্থাৰ দ্বাৰা ধন সংগ্ৰহ সম্পৰ্কীয় লেখ আবেদনত কৰা অভিপ্ৰায়মূলক অভিযোগবোৰ পিছত নিৰ্ধাৰণ কৰিব পাৰি।

| | | | |
|---|---|---|---|
| চেকগেটৰ স্থান- | | | |
| শ্বালাং- ৰিয়াংডো-আথিয়াবাৰী ৰোড (মেঘালয়ৰ পথৰ অংশ) | | | |
| ১ | কিলন-মাথেই স্থিত শ্বালাং এলেকা শ্ৰমিক সংস্থা | - | ৫০টকা |
| ২ | ৱেষ্টাৰ্ণ হিলচ ৱেইব্ৰীজ<br>(চালান- ৩০/- টকা, নংদাজুত প্ৰকৃত মাচুল | - | ২৫০টকা |

| | | | |
|---|---|---|---|
| | অধিক) | | |
| ৩ | নংষ্টইন চাইমশ্বিপ চেকগেটত | - | ৪০০টকা |
| ৪ | নংষ্টইন চাইমশ্বিপ চেকগেটত | - | ১০০টকা |
| ৫ | এম.ভি.আই. চেকগেট নহয়- কিন্তু, আথিয়াবাৰীত এই এম.ভি.আই.-এ নিয়োগ কৰা ব্যক্তিসকল | - | ১০০০টকা(শ্লিপ নাই) |
| ৬ | মিঙো স্থিত ৰিয়াংচিহ চেকগেটৰ চিৰদাৰ | - | ১০০টকা |
| ৭ | টিংহোৰ স্থিত জিৰ্গাম চেকগেটৰ চিৰদাৰ | - | ১০০টকা |
| ৮ | কামৰাংচীত ধোঁৱা-পৰীক্ষা চেকগেট | - | ৬৫টকা প্ৰকৃততে কোনো শ্লিপ সংগ্ৰহ কৰা নাই ২৫০টকা |
| ৯ | আথিয়াবাৰীত প্ৰদূষণ নিয়ন্ত্ৰণত | - | ৬৫টকা কোনো শ্লিপ সংগ্ৰহ কৰা নাই ২৫০টকা |
| ১০ | আথিয়াবাৰী স্থিত ডি. শিৰা ৰেইব্ৰীজ | - | শ্লিপ নাই। ট্ৰাকে প্ৰতি ১০০০টকা |
| ১১ | পুলিচ অ.চি., হাহিম থানা | - | ৪০০টকা (শ্লিপ চালান নাই) |
| ১২ | হাহিম স্থিত আৰ.এইচ. ৰেইব্ৰীজ | - | ৫০০টকা |
| ১৩ | হাহিম বজাৰৰ অটোমোবাইল ধোঁৱা নিৰ্গমন পৰীক্ষাকেন্দ্ৰ | - | ২৫০টকা (শ্লিপত উল্লেখ নাই) |
| ১৪ | মৌমান স্থিত জে.কে. ৰাভা ৰেইব্ৰীজ | - | ৫০০টকা |
| ১৫ | মৌমান স্থিত ধোঁৱা পৰীক্ষা | - | ২৫০টকা |
| ১৬ | হালধিপাৰা স্থিত ধোঁৱা পৰীক্ষা | - | ২৫০টকা |
| মুঠ | | - | ৫৩৩০টকা |

৪. আমি আৰম্ভণিতে এইটোও নথিভুক্ত কৰিব পাৰোঁ যে, উত্তৰদাতাৰ লেখ আবেদনত – শ্বালাং এৰিয়া কওল দিলাৰ এণ্ড ট্ৰাক অওনাৰচ এছচিয়েচন (শ্বালাং এলেকা কয়লা ব্যৱসায়ী আৰু ট্ৰাক মালিক সংস্থা)ৰ ১৬টা

স্থানত ট্ৰাকৰ চালক/মালিকসকলক পৰা আইনৰ কোনো কৰ্তৃত্ব অবিহনে নিৰ্ধাৰিত ধন দাবী কৰা হয়, যিবোৰ তলত উল্লেখ কৰা হৈছে-

৫. উক্ত লেখ আবেদনত অনুৰোধবোৰ নিম্নলিখিত ধৰণৰ:-

> "এই কথাৰ অনুৰোধ কৰা হৈছে যে, ওপৰোক্ত স্থানত মাননীয় ন্যায়ালয়ে *মেণ্ডেমাচ* (পৰমাদেশ) লেখ জাৰীৰ নকৰাৰ বাবে উত্তৰদাতাসকলক কাৰণ দেখুৱাবলৈ আহ্বান জনাই সন্মানসহকাৰে নিয়ম জাৰি কৰাৰ ইচ্ছা কৰি কই যে, একাধিক ক্ষেত্ৰত অসম আৰু মেঘালয়ৰ ৰাজহুৱা পথসমূহৰ অবৈধ টোল সংগ্ৰহ আৰু ওজন আৰু "ধোঁৱা পৰীক্ষা" কিয় তাৎক্ষণিক ভাৱে বন্ধ কৰাৰ নিৰ্দেশ দিয়া নহ'ব আৰু একাধিক ক্ষেত্ৰত ট্ৰাকবোৰৰ ওজন আৰু "ধোঁৱা পৰীক্ষা" কৰা গেটবোৰ, য'ত এনে টোল সংগ্ৰহ কৰা হয় সেইবোৰ কিয় বন্ধ কৰা নহ'ব।"

৬. অৱশ্যে, লেখ আবেদনকাৰী-উত্তৰদাতাই প্ৰত্যক্ষ বা পৰোক্ষভাৱে ২০০৩চনৰ ১১ছেপ্টেম্বৰ ওপৰত উল্লেখ কৰা স্মাৰক পত্ৰৰ বৈধতাৰ ওপৰত প্ৰশ্ন উত্থাপন কৰা নাই।

৭. মেঘালয় ৰাজ্যই উচ্চ ন্যায়ালয়ত দাখিল কৰা প্ৰতি-প্ৰমাণপত্ৰত উল্লেখ কৰিছে:-

> "৫. এই আবেদনৰ ২, ৩, ৪, ৫, ৬ আৰু ৭ নং দফাত দিয়া বিবৃতিৰ সন্দৰ্ভত আপোনাৰ সাক্ষৰকাৰীজনে এই কথা অস্বীকাৰ কৰি কয় যে, আবেদনকাৰী সংস্থাৰ সদস্যসকলে আবেদনত অভিযোগ কৰা অনুসৰি কোনো অবৈধ টোল/উৎকোচ সংগ্ৰহৰ সন্দৰ্ভত সংশ্লিষ্ট আৰক্ষী থানা বা আন কোনো উত্তৰদাতা কৰ্তৃপক্ষৰ আগত কোনো অভিযোগ দাখিল কৰা নাই। এইকথাৰ উল্লেখ কৰিব পাৰি যে, এতিয়ালৈকে উত্তৰদাতা নং ৬ৰ দ্বাৰা অবৈধভাৱে টোল সংগ্ৰহ কৰাৰ বিষয়ত; আবেদনত উল্লেখ কৰা অনুসৰি চেক গেটত কোনো মটৰ বাহন পৰিদৰ্শক নিয়োগ কৰা হোৱা নাই। সেয়েহে আবেদনকাৰী সংস্থাৰ সদস্যসকলৰ পৰা উক্ত ব্যক্তিগৰাকীৰ দ্বাৰা অবৈধ সংগ্ৰহ বা উৎকোচ লোৱাৰ কোনো যুক্তি নাই। আবেদনখনত দিয়া বিবৃতিবোৰ হৈছে সাধাৰণ বিবৃতি য'ত বৰ্বৰ অভিযোগ আছে আৰু সেইসমূহ অস্পষ্ট প্ৰকৃতিৰ। যেতিয়াই অবৈধ টোল সংগ্ৰহৰ সন্দৰ্ভত কৰ্তৃপক্ষই এনে কোনো অভিযোগ লাভ কৰিছিল, তেতিয়া জিলা প্ৰশাসনে এই বিষয়ত প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিছিল।"

৮. অৱশ্যে, উচ্চ ন্যায়ালয়ৰ আগত আদালতৰ এক প্ৰশ্নৰ উত্তৰত মেঘালয় ৰাজ্যৰ বিদ্বান এডভোকেট জেনেৰেলে দাবী কৰিছিল যে, উক্ত স্মাৰক পত্ৰ অনুসৰি কোনো নিয়ম প্ৰস্তুত নকৰাকৈ চেক পোষ্ট স্থাপন আৰু মাচুল সংগ্ৰহ কৰা হৈছে।

৯. উচ্চ ন্যায়ালয়ৰ এই বিচাৰাধীন ৰায়দানৰ কাৰণে, এই আইনৰ অধীনত চিনাক্তকৰণত ৱেইব্ৰিজ স্থাপন কৰিব পাৰি কিন্তু, এই সংক্ৰান্তত নিয়মৰ অনুপস্থিতিত কোনো মাচুল সংগ্ৰহ কৰিব নোৱাৰি। মেঘালয় ৰাজ্যই এতিয়ালৈকে ইয়াৰ বিৰুদ্ধে কোনো আবেদন কৰা নাই।

১০. আপীলকাৰীসকল উচ্চ ন্যায়ালয়ত পক্ষ নাছিল।

১১. আপীলকাৰীসকলৰ পক্ষত বিদ্বান জ্যেষ্ঠ অধিবক্তা ৰঞ্জিত কুমাৰে দাবী কৰিব যে, আপীলকাৰীসকলে বিচাৰাধীন ৰায়ৰ বিৰুদ্ধে এই আপীলসমূহ অগ্ৰাধিকাৰ দিছে কাৰণ, কৰ্তৃত্বপ্ৰাপ্ত ৱেইব্ৰিজৰ মালিকসকলে কোনো বৈধ ৰচিদ প্ৰদান নকৰিলে তেওঁলোকক আন্তঃৰাজ্যিক পৰিবহণ ব্যৱসায় চলাই যাবলৈ অনুমতি দিয়া নহ’ব আৰু এনেদৰে সংবিধানৰ ৩০১নং অনুচ্ছেদৰ অধীনত তেওঁলোকৰ অধিকাৰ উলংঘন কৰা হ’ব।

১২. উত্তৰদাতা- লেখ আবেদনকাৰীৰ হৈ হাজিৰ হোৱা জ্যেষ্ঠ অধিবক্তা শ্ৰী এ. শৰ্মাই অৱশ্যে এই বিচাৰাধীন সিদ্ধান্তক সমৰ্থন কৰিব।

১৩. এই আপীলসমূহৰ সৈতে জড়িত প্ৰশ্নৰ সন্দৰ্ভত আমি ২০০৩চনৰ ১১ছেপ্টেম্বৰ তাৰিখৰ উক্ত স্মাৰক পত্ৰৰ প্ৰাসংগিক অংশটো লিপিবদ্ধ কৰি ৰাখিব পাৰো, য'ত বাণিজ্যিক আৰু নিয়ন্ত্ৰণৰ বাবে ৱেইব্ৰিজ স্থাপন আৰু পৰিচালনাৰ অনুমতি প্ৰদানৰ বাবে পৰিবহণ বিভাগে অনুসৰণ কৰিবলগীয়া প্ৰক্ৰিয়াৰ বিষয়ে উল্লেখ কৰা হৈছে। এনেধৰণে:-

> "১. বাণিজ্যিক তথা নিয়ন্ত্ৰণৰ বাবে স্থাপিত ৱেইব্ৰিজ স্থাপন আৰু পৰিচালনাৰ অনুমতি প্ৰদানৰ বাবে পৰিবহণ বিভাগে এই প্ৰক্ৰিয়া অনুসৰণ কৰিব।
>
> ৮. বাহনৰ ওজনৰ বাবে পৰিবহণ বিভাগে নিৰ্ধাৰণ কৰা হাৰত মাচুল ল'ব পাৰে।

> ৯. ৰাজ্যৰ যিকোনো বিভাগৰ যিকোনো বিষয়ৰ সৈতে সম্পৰ্কত যেতিয়াই আৰু য'তেই প্ৰয়োজন হয়, বাহনৰ ওজন এই নিৰ্দেশনা/প্ৰক্ৰিয়াৰ অধীনত আৰু মটৰ বাহন আইন, ১৯৮৮-ৰ প্ৰাসংগিক ব্যৱস্থা অনুসৰি স্থাপন কৰা ৱেইব্ৰিজত কৰা হ'ব।
>
> ১০. এই ব্যৱস্থাসমূহৰ অধীনত বাহনখনৰ ওজনৰ প্ৰমাণপত্ৰ পৰিবহণ বিভাগৰ দ্বাৰা বা কৰ্তৃপক্ষৰ অধীনত যি........... জাৰী কৰা হ'ব আৰু সেইখন সকলো চৰকাৰী কৰ্তৃপক্ষ/বিভাগে বিবেচনা কৰিব।
>
> ১৪. অনুমতিৰ বাবে আৰু অনুমতি নৱীকৰণৰ বাবে প্ৰতিখন আবেদনৰ বাবে চৰকাৰে নিৰ্ধাৰণ কৰা হাৰত মাছুল পৰিশোধ কৰা হ'ব। এই ব্যৱস্থাসমূহৰ অধীনত সকলো মাচুল সংশ্লিষ্ট কোষাগাৰলৈ পৰিশোধ কৰা হ'ব আৰু সংশ্লিষ্ট একাউণ্টৰ মুৰব্বীৰ তাত জমা কৰা হ'ব।
>
> ১৫. কাৰ্যালয় স্মাৰক পত্ৰখন, এই কাৰ্যালয় স্মাৰক পত্ৰৰ অধিসূচনাত বা তাৰ আগতে স্থাপন কৰা আন সকলো ৱেইব্ৰিজতো প্ৰযোজ্য লগতে বাধ্যতামূলক হ'ব।
>
> ১৭. মেঘালয়ত ৱেইব্ৰীজ স্থাপন, নিয়ন্ত্ৰণ আৰু পৰিচালনাৰ নিয়মসমূহৰ চূড়ান্তকৰণ আৰু অনুমোদন নোহোৱালৈকে এই আদেশসমূহ বলৱৎ থাকিব।

১৪. ২০০৮চনৰ ১১জুনত স্থানীয় জনজাতীয় মুৰব্বীসকলক ট্ৰাকৰ মালিক/চালকৰ পৰা ধন সংগ্ৰহ বন্ধ কৰাৰ নিৰ্দেশ দি এক অন্তৰৰ্তীকালীন আদেশ জাৰি কৰিছিল। এই আদেশ অনুসৰি বা ইয়াৰ অগ্ৰগতিৰ পৰিপ্ৰেক্ষিতত মেঘালয় জিলাৰ পশ্চিম খাচী পাহাৰ জিলাৰ উপায়ুক্তই ২০ফেব্ৰুৱাৰী, ২০০৯তাৰিখে এক নিৰ্দেশ জাৰি কৰি উক্ত ব্যক্তিসকলক ৰাজহুৱা পথত থকা সকলো অবৈধ টোল গেট/চেক গেট/ৱেইট ব্ৰীজ আঁতৰাবলৈ/বন্ধ কৰিবলৈ নিৰ্দেশ দিয়ে লগতে উক্ত পত্ৰখন জাৰি কৰাৰ তাৰিখৰ পৰা এসপ্তাহৰ ভিতৰত তাত অবৈধ টোল সংগ্ৰহ বন্ধ কৰিবলৈ নিৰ্দেশ দিয়ে।

১৫. ইয়াৰ বিৰুদ্ধে পুনৰ আবেদন দাখিল কৰা হৈছিল আৰু উচ্চ ন্যায়ালয়ৰ এজন বিদ্বান একক ন্যায়াধীশে লেখ আবেদনসমূহ চলি থকাৰ সময়ত উক্ত স্থগিতাদেশ স্থগিত ৰাখিছিল। ইয়াৰ বিৰুদ্ধে পুনৰ অগ্ৰাধিকাৰ

দিয়া লেখ আপীলসমূহ উচ্চ ন্যায়ালয়ৰ খণ্ড বিচাৰপীঠে বিচাৰাধীন হৈ আছে।

১৬. ইয়াৰ পূৰ্বে ইংগিত দিছিল যে, যদিও এছ’চিয়েশ্যন অৱ দ্য কণ্ডল ডিলাৰ্ছ এণ্ড ট্ৰাক অওনাৰ আৰু জনজাতীয় মুৰব্বীসকলে দাখিল কৰা লেখ আবেদনত বিভিন্ন প্ৰশ্ন উত্থাপন কৰা হৈছিল। উচ্চ ন্যায়ালয়ে এই আবেদনসমূহৰ সৈতে জড়িত প্ৰশ্নৰ বাহিৰে আন প্ৰশ্নলৈ যোৱাটো উচিত নহয় বুলি ভাবিছিল।

১৭. এইটো বিতৰ্কৰ বিষয় নহয় যে, আইনখনে দ্ব্যৰ্থহীনভাৱে অন্য বিষয়সমূহৰ ভিতৰত এটা নিৰ্দিষ্ট বিৱৰণৰ বাহকে বহন কৰিব পৰা ওজন নিৰ্দিষ্ট কৰাৰ ব্যৱস্থা কৰিছে। উক্ত ব্যৱস্থাসমূহ কেৱল পথ নিৰ্মাণ আৰু ৰক্ষণাবেক্ষণৰ বাবেই নহয়, দুৰ্ঘটনা প্ৰতিৰোধৰ বাবেও প্ৰয়োজনীয়।

১৮. এই আইনত আইনখনৰ IV অধ্যায়ত অন্তৰ্ভুক্ত ব্যৱস্থা অনুসৰি মটৰ বাহনৰ পঞ্জীয়নৰ ব্যৱস্থা কৰা হৈছে। ধাৰা ৪১-ত নিৰ্ধাৰণ কৰা হৈছে যে, ইয়াৰ বাবে এখন আবেদন এনে নথিপত্ৰ, বিৱৰণ আৰু তথ্য সমন্বিত হ’ব লাগিব আৰু কেন্দ্ৰীয় চৰকাৰে নিৰ্ধাৰণ কৰা সময়ৰ ভিতৰত তৰিব লাগিব। উক্ত আইনৰ ৫৮ নং ধাৰা অনুসৰি কেন্দ্ৰীয় চৰকাৰে কিছুমান নিৰ্দিষ্ট ধৰণৰ পৰিবহণ বাহনৰ ক্ষেত্ৰত বাহনৰ মুঠ ওজন আৰু এক্সল ওজন (চলি থকা অৱস্থাত পথত প্ৰেৰণ কৰা মুঠ ওজন)ৰ বিষয়ে অৱগত কৰিবলৈ ক্ষমতাপ্ৰাপ্ত।

আইনখনৰ ধাৰা ১১৩-ৰ উপধাৰা (৩)-এ যিকোনো ব্যক্তিক যিকোনো ৰাজহুৱা স্থানত যিকোনো মটৰ বাহন চলাবলৈ বা চলাব পাৰিবলৈ বা চলাব পৰা অনুমতি প্ৰদান কৰাত নিষেধাজ্ঞা আৰোপ কৰিছে- (ক) যিবোৰৰ ভাৰমুক্ত ওজন, পঞ্জীয়নৰ প্ৰমাণপত্ৰত নিৰ্ধাৰিত ভাৰমুক্ত ওজনতকৈ অধিক আৰু (খ) যিবোৰৰ ভাৰযুক্ত ওজন পঞ্জীয়নৰ প্ৰমাণপত্ৰত নিৰ্ধাৰিত মুঠ বাহনৰ ওজনতকৈ অধিক।

১৯. আমাৰ উদ্দেশ্যত প্ৰাসংগিক আইনখনৰ ১১৪ নং ধাৰা তলত উল্লেখ কৰা ধৰণৰ:-

"১১৪. বাহনৰ ওজন কৰাৰ ক্ষমতা।

(১) ৰাজ্য চৰকাৰৰ দ্বাৰা এই দিশত ক্ষমতাপ্ৰাপ্ত মটৰ বাহন বিভাগৰ কোনো বিষয়াই যদি ধাৰা ১১৩ উলংঘন কৰি কোনো সামগ্ৰীবাহী বাহন বা ট্ৰেইলাৰ ব্যৱহাৰ কৰা হৈছে বুলি বিশ্বাস কৰাৰ কাৰণ থাকে, তেনেহ'লে চালকজনে সন্মূখলৈ যোৱা পথৰ যিকোনো স্থানৰ পৰা দহ কিলোমিটাৰ দূৰত্বৰ ভিতৰত বা ওজনৰ বাবে বাহনখনৰ গন্তব্য স্থানৰ পৰা বিশ কিলোমিটাৰ দূৰত্বৰ ভিতৰত বাহনখন ওজন কৰা যন্ত্ৰত ওজন কৰিব লাগিব; আৰু যদি এনে ওজনৰ ক্ষেত্ৰত বাহনখনে ওজন সম্পৰ্কীয় ধাৰা ১১৩-ৰ ব্যৱস্থাসমূহ যিকোনো ধৰণে উলংঘন কৰা দেখা যায়, তেন্তে তেওঁ লিখিত আদেশৰ জৰিয়তে চালকজনক নিজৰ সাম্ভাব্য ক্ষতি বুজি অতিৰিক্ত ওজন নমাবলৈ নিৰ্দেশ দিব পাৰে আৰু অতিৰিক্ত ওজন হ্ৰাস নকৰালৈ সেই স্থানৰ পৰা বাহন বা ট্ৰেইলাৰখন আতৰ নকৰিব অথবা বাহন বা ট্ৰেইলাৰখনৰ অন্যথা ব্যৱস্থা কৰা হই যাতে ই ধাৰা ১১৩ মানি চলে আৰু এনে জাননী লাভ কৰাৰ পিছত চালকজনে এনে নিৰ্দেশনা মানি চলিব।

(২) উপধাৰা (১)ৰ অধীনত ক্ষমতাপ্ৰাপ্ত ব্যক্তিয়ে লিখিতভাৱে উক্ত নিৰ্দেশটো প্ৰদান কৰিলে, তেওঁ সামগ্ৰী পৰিবহণ অনুজ্ঞাপত্ৰত অতিৰিক্ত ওজনৰ প্ৰাসংগিক বিৱৰণো অনুমোদন কৰিব আৰু লগতে সেই অনুমতি জাৰী কৰা কৰ্তৃপক্ষক এনে অনুমোদনৰ তথ্য অৱগত কৰিব।"

২০. "উক্ত আইনৰ ধাৰা ১৩৮-এ ৰাজ্য চৰকাৰক নিয়ম প্ৰণয়ন কৰাৰ ক্ষমতা প্ৰদান কৰে। ইয়াৰ উপধাৰা ২(b)ত কোৱা হৈছে যে, এনে নিয়মবোৰে "ওজনৰ সঁজুলি স্থাপন আৰু ব্যৱহাৰৰ" বাবে ব্যৱস্থা কৰিব পাৰে।

উক্ত আইনৰ ১৯৪ নং ধাৰাটো তলত উল্লেখ কৰা ধৰণৰ:-

"১৯৪. অনুমোদিত ওজনতকৈ অধিক ওজনৰ বাহন চলোৱা। (১) যিজনে ধাৰা ১১৩ বা ধাৰা ১১৪ বা ধাৰা ১১৫ৰ ব্যৱস্থা উলংঘা কৰি মটৰ বাহন চলায় বা চলোৱা সম্ভৱ কৰে বা চলোৱাৰ অনুমতি দিয়ে, তেওঁ ন্যূনতম দুই হাজাৰ টকাৰ জৰিমনা মাচুল পৰিশোধ কৰিব লগতে অতিৰিক্ত ওজন হ্ৰাস কৰাৰ বাবে মাচুল পৰিশোধ কৰাত

দায়বদ্ধ হোৱাৰ লগতে প্ৰতি টন- ওজনত অতিৰিক্ত এক হাজাৰ টকাৰ জৰিমনাৰে দণ্ডনীয় হ'ব।

(২) বাহন এখনৰ যিকোনো চালক, যিজনে ধাৰা ১১৪ৰ অধীনত এই বিষয়ত ক্ষমতাপ্ৰাপ্ত এজন বিষয়াৰ দ্বাৰা নিৰ্দেশ দিয়াৰ পিছত নিজৰ বাহনখন ৰখাবলৈ আৰু ওজন কৰাৰ বাবে জমা দিবলৈ অস্বীকাৰ কৰে বা ওজনৰ পূৰ্বেই ইয়াৰ ওজন বা অংশ আঁতৰাই বা আঁতৰাই পেলাবলৈ সক্ষম হয়, তেওঁ তিনি হাজাৰ টকা পৰ্যন্ত জৰিমনাৰে দণ্ডনীয় হ'ব।

আইনখনৰ ২১১ নং অনুচ্ছেদে মাচুল আৰোপ কৰাৰ ক্ষমতা প্ৰদান কৰে।

উল্লেখ আছে:-

"২১১. মাচুল আদায় কৰাৰ ক্ষমতা।

কেন্দ্ৰীয় চৰকাৰ বা ৰাজ্য চৰকাৰে এই আইনৰ অধীনত যি নিয়ম প্ৰণয়ন কৰিবলৈ ক্ষমতাপ্ৰাপ্ত, সেই সন্দৰ্ভত কোনো স্পষ্ট ব্যৱস্থা নথকা স্বত্বেও, আবেদন, নথিপত্ৰৰ সংশোধনী, প্ৰমাণপত্ৰ, অনুজ্ঞাপত্ৰ, পৰীক্ষা, অনুমোদন, এনদৰ্চমেন্টচ, বেদজচ, প্লেটচ, কাউণ্টাৰচিগনেচাৰ, অনুমোদন, পৰিসংখ্যা বা নথিপত্ৰৰ প্ৰতিলিপি বা আদেশৰ যোগান আৰু এই আইন বা ইয়াৰ অধীনত প্ৰয়োজনীয় বুলি বিবেচনা কৰিব পৰা কোনো নিয়মৰ অধীনত বিষয়া বা কৰ্তৃপক্ষৰ দ্বাৰা কোনো সেৱা প্ৰদানৰ সৈতে জড়িত আন যিকোনো উদ্দেশ্য বা বিষয়ৰ ক্ষেত্ৰত এনে মাচুল আৰোপ কৰাৰ ব্যৱস্থা কৰিব পাৰে:
যদিহে, চৰকাৰে এনে কৰাটো প্ৰয়োজনীয় বুলি বিবেচনা কৰে, সাধাৰণ বা বিশেষ আদেশৰ দ্বাৰা ৰাজহুৱা স্বাৰ্থত যিকোনো শ্ৰেণীৰ লোকক আংশিক বা সম্পূৰ্ণ মাচুল পৰিশোধৰ পৰা ৰেহাই দিব পাৰে।"

২১২. প্ৰকাশ, আৰম্ভণি আৰু নিয়ম লগতে জাননী জাৰী। ইয়াৰ উপধাৰা (১), (২) আৰু (৩) তলত দিয়া ধৰণৰ:-

"২১২. প্ৰকাশ, আৰম্ভণি আৰু নিয়ম লগতে জাননী জাৰী।

১) এই আইনৰ অধীনত নিয়ম প্ৰস্তুত কৰাৰ ক্ষমতা পূৰ্বৰ প্ৰকাশৰ পিছত প্ৰস্তুত কৰা নিয়মৰ চৰ্ত সাপেক্ষে হয়।

(২) এই আইনৰ অধীনত প্ৰস্তুত কৰা সকলো নিয়ম চৰকাৰী গেজেটত প্ৰকাশ কৰা হ'ব, আৰু পৰৱৰ্তী কোনো তাৰিখ নিৰ্ধাৰণ নকৰিলে, এনে প্ৰকাশৰ তাৰিখত বলৱৎ হ'ব।

(৩) যিকোনো ৰাজ্য চৰকাৰে প্ৰস্তুত কৰা প্ৰতিটো নিয়ম ৰাজ্যিক বিধানমণ্ডলৰ আগত প্ৰস্তুত কৰাৰ পিছত যিমান সোনকালে পাৰি কাৰ্য্যক্ষম কৰা হ'ব।”

২১. আমি এই স্থানত সাধাৰণ দফা আইন, ১৮৯৭-ৰ ধাৰা ২৩-ৰ ব্যৱস্থাসমূহ লক্ষ্য কৰিব পাৰোঁ য'ত উল্লেখ আছে:-

২৩. পূৰ্বৰ প্ৰকাশৰ পিছত নিয়ম বা উপ-আইন প্ৰস্তুত কৰাৰ ক্ষেত্ৰত প্ৰযোজ্য ব্যৱস্থাসমূহ:- য'ত, যিকোনো (কেন্দ্ৰীয় আইন) বা নিয়মাৱলীৰ দ্বাৰা, নিয়ম বা উপ-আইন প্ৰস্তুত কৰাৰ ক্ষমতা পূৰ্বৰ প্ৰকাশৰ পিছত প্ৰস্তুত কৰা নিয়ম বা উপ-আইনৰ চৰ্ত সাপেক্ষে প্ৰকাশ কৰা হয়, তেতিয়া নিম্নলিখিত ব্যৱস্থাসমূহ প্ৰযোজ্য হ'ব, অৰ্থাৎ:-

(১) নিয়ম বা উপ-আইন প্ৰস্তুত কৰাৰ ক্ষমতা থকা কৰ্তৃপক্ষই সেইবোৰ প্ৰস্তুত কৰাৰ আগতে, ইয়াৰ দ্বাৰা প্ৰভাৱিত হোৱাৰ সম্ভাৱনা থকা ব্যক্তিৰ তথ্যৰ বাবে প্ৰস্তাৱিত নিয়ম বা উপ-আইনৰ এখন খচৰা প্ৰকাশ কৰিব।

(২) প্ৰকাশকাৰ্য্য সেই কৰ্তৃপক্ষই পৰ্যাপ্ত বুলি বিবেচনা কৰা ধৰণে কৰা হ'ব, বা যদি পূৰ্বৰ প্ৰকাশৰ সন্দৰ্ভত চৰ্ত অনুসৰি এনে প্ৰয়োজন হয়, (সংশ্লিষ্ট চৰকাৰে) নিৰ্ধাৰণ কৰা ধৰণে কৰা হ'ব।

(৩) তাৰিখ নিৰ্দিষ্ট কৰি এখন জাননী খচৰাৰ সৈতে প্ৰকাশ কৰা হ'ব, যাৰ পিছত খচৰা বিবেচনা কৰা হ'ব।

(৪) নিয়ম বা উপ-আইন প্ৰস্তুত কৰাৰ ক্ষমতা থকা কৰ্তৃপক্ষ, আৰু য'ত অন্য কৰ্তৃপক্ষৰ প্ৰতিবন্ধ, অনুমোদন বা সন্মতিৰে নিয়ম বা উপ-আইন প্ৰস্তুত কৰিব লাগিব, সেই কৰ্তৃপক্ষইও এনেদৰে নিৰ্দিষ্ট তাৰিখৰ আগতে খচৰা সন্দৰ্ভত যিকোনো ব্যক্তিৰ পৰা নিয়ম বা উপ-আইন প্ৰস্তুত কৰাৰ ক্ষমতা থকা কৰ্তৃপক্ষৰ দ্বাৰা লাভ কৰিব পৰা যিকোনো আপত্তি বা পৰামৰ্শ বিবেচনা কৰিব।

(৫) পূৰ্বৰ প্ৰকাশৰ পিছত নিয়ম বা উপ-আইন প্ৰস্তুত কৰাৰ ক্ষমতা ব্যৱহাৰ কৰি প্ৰস্তুত কৰা বুলি ধাৰণা কৰা নিয়ম বা উপ-আইনৰ (চৰকাৰী গেজেট) প্ৰকাশ কৰাটো নিয়ম বা উপ-আইন যথাযথভাৱে প্ৰস্তুত কৰা হৈছে বুলি চূড়ান্ত প্ৰমাণ বুলি গণ্য হ'ব।"

২২. এই আপীল আবেদনসমূহত বিবেচনাৰ বাবে উত্থাপন হোৱা মূল প্ৰশ্নটো হ'ল নিয়মৰ দ্বাৰা নিৰ্ধাৰণ কৰিবলগীয়া বিষয়সমূহৰ সন্দৰ্ভত ৰাজ্য চৰকাৰক কোনো প্ৰশাসনিক আদেশ জাৰী কৰাৰ ক্ষমতা আছে নে নাই।

২৩. ভাৰতৰ সংবিধানৰ ১৬২নং অনুচ্ছেদত স্পষ্টভাৱে উল্লেখ কৰা হৈছে যে, এখন ৰাজ্যৰ প্ৰশাসনিক ক্ষমতা সেই বিষয়সমূহলৈ সম্প্ৰসাৰিত হ'ব যাৰ সন্দৰ্ভত ৰাজ্যৰ বিধানমণ্ডলৰ আইন প্ৰণয়নৰ ক্ষমতা আছে। প্ৰশাসনিক কামৰ নিয়মাৱলীৰ প্ৰতি লক্ষ্য ৰাখি এনে প্ৰশাসনিক ক্ষমতাসমূহ অনুচ্ছেদ ১৬৬ অনুসৰি গঠন কৰা হৈছে। ১৬৬ নং অনুচ্ছেদৰ দফা (৩)-এ ৰাজ্যপালক ৰাজ্য চৰকাৰৰ কাম-কাজ অধিক সুবিধাজনকভাৱে সম্পন্ন কৰাৰ বাবে নিয়ম প্ৰণয়ন কৰাৰ ক্ষমতা প্ৰদান কৰে, আৰু উক্ত কাম-কাজ মন্ত্ৰীসকলৰ মাজত বিতৰণৰ বাবে যি পৰ্য্যন্ত ৰাজ্যপালে সংবিধানৰ দ্বাৰা বা ইয়াৰ অধীনত নিজৰ বিবেচনামতে কাম কৰাৰ প্ৰয়োজন হোৱা কাৰ্য্য নহয়।

২৪. ৰাজ্যপালৰ নামত স্মাৰক পত্ৰ জাৰি কৰা হৈছিল। সংবিধানৰ ১৬৬নং অনুচ্ছেদৰ দফা (২) অনুসৰি ইয়াক প্ৰমাণীকৰণ কৰা হৈছিল বুলি কোনো বিতৰ্ক নাই। আইনখনৰ বিধানসমূহৰ অধীনত ৰাজ্যই এই ক্ষমতা প্ৰয়োগ কৰিছিল। নিৰ্ধাৰিত পদ্ধতিৰে ৰুল (নিয়ম) প্ৰস্তুত নোহোৱালৈকে উক্ত নিৰ্দেশটো বলৱৎ হৈ থাকিব লাগিছিল।

আইনখনৰ ব্যৱস্থাসমূহত বাধ্যতামূলক কৰা হৈছে যে, ভাৰমুক্ত ওজন আৰু ভাৰযুক্ত ওজন নিৰ্ধাৰণ কৰিব লাগিব। নিঃসন্দেহে, উক্ত উদ্দেশ্যত ওজনৰ সঁজুলি যোগাৰ কৰিব লগা হৈছিল। এইকথা সঁচা যে, উক্ত উদ্দেশ্যৰ বাবে নিয়ম প্ৰস্তুত কৰিব লাগিব পাৰে। অৱশ্যে, এইটো আইনৰ এক সুপ্ৰতিষ্ঠিত নীতি যে, আনকি আইনখনে কিছুমান কাম কৰাৰ ব্যৱস্থা কৰাৰ ক্ষেত্ৰতো নিয়মৰ অধীনত, নিয়ম প্ৰস্তুত নকৰাকৈ লোৱা যিকোনো ব্যৱস্থাই কোনো পদক্ষেপক অবৈধ প্ৰমাণ নকৰে। যদি কোনো আইন নিয়ম প্ৰস্তুত নকৰাকৈও কাৰ্যকৰী হয়, তেন্তে ইয়াক কাৰ্যকৰী কৰিব লাগিব। কিছুমান পৰিস্থিতিৰ বাহিৰে আইনে নিজে নিজেই শূণ্যতাৰ কল্পনা নকৰে।

২৫. "ভাৰযুক্ত ওজন" আৰু "ভাৰমুক্ত ওজন" সম্পৰ্কীয় বিধানসমূহৰ উলংঘন শাস্তিমূলক প্ৰকৃতিৰ হোৱাটো অনুজ্ঞাসূচক বুলি ধৰিব লাগিব। আইনখনৰ বিধানসমূহৰ নিৰ্মাণৰ উদ্দেশ্যে আদালতসমূহে ভাৰতৰ

সংবিধানৰ অনুচ্ছেদ ৩০১ অনুসৰি ব্যৱসায় আৰু বাণিজ্য কৰাৰ বাবে নাগৰিক আৰু অ-নাগৰিকৰ স্বাধীনতা বিবেচনা কৰিব লাগিব, অৱশ্যে ইয়াৰ অন্যান্য সৰ্ত সাপেক্ষে।

২৬. উচ্চ ন্যায়ালয়ে নিজেই বিবেচনাৰ বাবে লেখ আবেদনৰ দুটা প্ৰাথমিক যুক্তি লক্ষ্য কৰিছিল, য'ত কোৱা হৈছিল:-

> "মূলতঃ এই ক্ষেত্ৰসমূহত অভিযোগসমূহ দুগুণ-(১) ৰাজ্যত এনে মাচুল সংগ্ৰহ কৰাৰ বাবে প্ৰয়োজনীয় আইনৰ কৰ্তৃত্বৰ অভাৱ আৰু (২) যদিও, আইনত কৰ্তৃত্ব বিদ্যমান যে, যিসকলৰ ওপৰত সেৱা প্ৰদান কৰা আৰু মাচুল সংগ্ৰহ কৰাৰ দায়িত্ব ন্যস্ত কৰা হৈছে তেওঁলোকে তেওঁলোকক প্ৰদান কৰা কৰ্তৃত্বতকৈ অধিক কাম কৰি আছে।"

২৭. দ্বিতীয় যুক্তিটোৰ উত্তৰ দিয়া হোৱা নাই।

দৰাচলতে, সেই দিশত পক্ষবোৰে নথিত পৰ্যাপ্ত অনুৰোধৰ উল্লেখ কৰা নাছিল। বিধিৰ ব্যৱস্থাসমূহ কাৰ্যকৰী কৰাৰ বাবে ৰাজ্যচৰকাৰে ভাৰতৰ সংবিধানৰ অনুচ্ছেদ ২৯৮ বা অনুচ্ছেদ ১৬২ৰ অধীনত নিজৰ ক্ষমতা প্ৰয়োগ কৰি ৰেইব্ৰিজৰ ব্যৱস্থা আৰু মাচুল সংগ্ৰহ আদিৰ বোজা নিজৰ ওপৰত ল'ব পাৰে। অৱশ্যে, ৰাজ্যচৰকাৰে পক্ষসমূহক নিয়মাৱলী সাপেক্ষে ৰেইব্ৰিজ স্থাপন কৰাৰ অনুমতি দিব পাৰে।

২৮. প্ৰসংগত উল্লিখিত স্মাৰকত বিস্তৃত নিয়ম আৰু চৰ্ত প্ৰদান কৰা হৈছে যাৰ অধীনত ব্যক্তিগত পক্ষসমূহক ৰেইব্ৰিজ স্থাপন আৰু মাচুল সংগ্ৰহ কৰাৰ বাবে ক্ষমতা প্ৰদান কৰা হৈছিল। এনে কৰাৰ বাবে ৰাজ্যচৰকাৰৰ ক্ষমতাৰ প্ৰশ্নই নুঠে। এইটো এনে কোনো ক্ষেত্ৰ নহয় য'ত প্ৰশাসনিক পদক্ষেপ গ্ৰহণৰ বাবে মাচুল নিৰ্ধাৰণ কৰাৰ প্ৰয়োজন।

২৯. আইনৰ ২১১ নং ধাৰা ভিন্ন ৰাজ্যখনে ভাৰতৰ সংবিধানৰ সপ্তম অনুসূচীৰ দ্বিতীয় তালিকাত উল্লেখ কৰা যিকোনো ধৰণৰ মাচুল সংগ্ৰহৰ বাবে আইন প্ৰণয়ন কৰাৰ অধিকাৰ আছে যিকথা ৬৬ নং প্ৰৱিষ্টিৰ পৰা স্পষ্ট হ'ব।

যদি ৰাজ্যই নিজেই ব্যৱসায় চলায়, তেন্তে ইয়াৰ বাবে নিয়মাৱলী নিৰ্ধাৰণ কৰাৰ অধিকাৰ আছে।

৩০. য'ত ৰাজ্যচৰকাৰ বা ৰাজ্য নিয়ন্ত্ৰিত সংস্থাসমূহে কেন্দ্ৰীয় আইনৰ ব্যৱস্থাসমূহ কাৰ্যকৰী কৰাৰ উদ্দেশ্যে সেৱা আগবঢ়ায়, আমাৰ মতে, এই সন্দৰ্ভত যুক্তিসঙ্গত পৰিমাণৰ মাচুল দাবী কৰাৰ অধিকাৰ আছে।

৩১. আমি এইসংক্ৰান্তত <u>টি. কেজী বনাম ইউ. জৰ্মানিক ছিয়েম আৰু অন্যান্য</u> [[১৯৬১] ১ এচ.চি.আৰ. ৭৫০]ৰ গোচৰত এই আদালতৰ সিদ্ধান্তৰ কথা উল্লেখ কৰিব পাৰো। তাত বিবেচনাৰ বাবে উত্থাপন হোৱা প্ৰশ্নটো আছিল এইয়ে যে, প্ৰধান আৰু মুৰব্বীসকলৰ নিযুক্তি আৰু উত্তৰাধিকাৰ নিয়ন্ত্ৰণ কৰা কোনো আইনৰ অনুপস্থিতিত, তেওঁক তেওঁৰ কাৰ্যালয়ৰ পৰা কিয় অপসাৰণ কৰিব নালাগে তাৰ কাৰণ দেখুৱাবলৈ উত্তৰদাতাক জাৰি কৰা জাননী বৈধ আছিল নেকি। উত্তৰদাতাই কাৰণ প্ৰকাশৰ জাননীৰ উক্ত বৈধতাৰ লগতে তেওঁৰ বিৰুদ্ধে প্ৰদান কৰা নিলম্বনৰ আদেশৰ ওপৰতো প্ৰশ্ন উত্থাপন কৰিছিল:-

> "(i) তেওঁক প্ৰশাসনিক নিৰ্দেশৰ দ্বাৰা আঁতৰাব নোৱাৰি, কেৱল এখন আইন প্ৰস্তুত কৰি আঁতৰাব পাৰি;
>
> (ii) প্ৰশাসনিক সমিতিয়ে এই গোচৰত কোনো ব্যৱস্থা গ্ৰহণ কৰিব নোৱাৰে, আৰু
>
> (iii) নিলম্বনৰ নিৰ্দেশ ক্ষমতা বহিৰ্ভূত আছিল।

ন্যায়াধীশ ৰান্‌চু আদালতৰ পক্ষত এনেদৰে কৈছে:-

> “উচ্চ ন্যায়ালয়ৰ দৃষ্টিত এনে আইন প্ৰণয়ন নোহোৱালৈকে উত্তৰদাতাৰ দৰে প্ৰধান বা ছিয়েম নিযুক্তিৰ কোনো ক্ষমতা থাকিব নোৱাৰে আৰু ইয়াৰ ফলস্বৰূপে অপসাৰণৰো কোনো ক্ষমতা থাকিব নোৱাৰিব। সন্মানপূৰ্বক, আমাৰ মতে উচ্চ ন্যায়ালয়ে ভাষাৰ দ্বাৰা ন্যায়সঙ্গত হোৱাতকৈ অনুচ্ছেদ ৩(১)(g)ত বহুত বেছি অৰ্থ কৰিছে। অনুচ্ছেদ ৩(১) প্ৰকৃততে এক বিধায়িনী তালিকাৰ দৰে আৰু জিলা পৰিষদে আইন প্ৰণয়ন কৰিবলৈ সক্ষম বিষয়বোৰ গণনা কৰে। অনুচ্ছেদ ৩(১)(g)ৰ অধীনত ইয়াৰ প্ৰধান বা

মুৰব্বীসকলৰ নিযুক্তি বা উত্তৰাধিকাৰৰ সন্দৰ্ভত আইন প্ৰণয়ন কৰাৰ ক্ষমতা আছে আৰু ইয়াত স্বাভাৱিকভাৱেই তেওঁলোকক অপসাৰণ কৰাৰ ক্ষমতা অন্তৰ্ভুক্ত থাকিব। কিন্তু, ইয়াৰ পৰা এইটো নহয় যে, এজন প্ৰধানৰ নিযুক্তি বা অপসাৰণ এক আইনী কাৰ্য্য বা সেই সন্দৰ্ভত প্ৰথমে আইন অবিহনে কোনো নিযুক্তি বা অপসাৰণ কৰিব নোৱাৰি। উচ্চ ন্যায়ালয়ে এইটোও ভাবিছিল যেন লাগে যে, যিহেতু সংবিধানৰ অনুচ্ছেদ ৭৩ আৰু ১৬২অনুসৰি ষষ্ঠ অনুসূচীত কোনো ব্যৱস্থা নাছিল, সেয়েহে জিলা পৰিষদৰ প্ৰশাসনিক ক্ষমতা অনুচ্ছেদ ৩(১)ত উল্লেখ কৰা বিষয়সমূহলৈ সম্প্ৰসাৰিত নহ'ব। এতিয়া অনুচ্ছেদ ২(৪)ত উল্লেখ কৰা হৈছে যে, এখন স্বায়ত্তশাসিত জিলাৰ প্ৰশাসন জিলা পৰিষদৰ ওপৰত ন্যস্ত হ'ব আৰু আমাৰ মতে জিলাখনৰ প্ৰশাসনৰ উদ্দেশ্যে ব্যৱহাৰ কৰিবলৈ প্ৰয়োজনীয় সকলো প্ৰশাসনিক ক্ষমতা অন্তৰ্ভুক্ত কৰিবলৈ ই যথেষ্ট ব্যাপক। এইকথা সঁচা যে, য'ত প্ৰশাসনিক শক্তিয়ে নাগৰিকৰ অধিকাৰত বাধা দিয়ে তাত ইয়াক এক উপযুক্ত আইনৰ দ্বাৰা সমৰ্থন কৰিব লাগিব; কিন্তু য'ত প্ৰশাসনিক ক্ষমতা কেৱল প্ৰশাসনৰ কৰ্মচাৰীসকলৰ সৈতে সম্পৰ্কিত, প্ৰয়োজনীয় যেন লাগিলেও- তাত জিলা পৰিষদৰ নিয়ন্ত্ৰণত প্ৰশাসন চলোৱাসকলৰ নিযুক্তি নিয়ন্ত্ৰণ কৰা আইন, নিয়ম বা নিয়মাৱলী থকাটো প্ৰয়োজনীয় নহয়।

<u>সুৰিন্দৰ সিং বনাম কেন্দ্ৰীয় চৰকাৰ</u> [(১৯৮৬) ৪ এচ.চি.চি. ৬৬৭] গোচৰত এই আদালতে এই সিদ্ধান্তটো দাঙি ধৰিছে। এনেদৰে উপস্থাপন কৰা হৈছে:-

"৬. উচ্চ ন্যায়ালয়ে কয় যে, সামগ্ৰিক ক্ষতিপূৰণৰ অংশ হিচাপে থকা সম্পত্তিৰ নিষ্পত্তি, আইনৰ ৮ আৰু ৪০নং ধাৰা অনুসৰি প্ৰস্তুত কৰা নিয়মৰ "সাপেক্ষে" আছিল আৰু যিহেতু কেন্দ্ৰীয় চৰকাৰে সামগ্ৰিক ক্ষতিপূৰণৰ অংশ হিচাপে থকা নগৰীয়া কৃষি সম্পত্তিৰ নিষ্পত্তিৰ সন্দৰ্ভত কোনো নিয়ম প্ৰস্তুত কৰা নাছিল, সেয়েহে এই আইনৰ অধীনত গঠন কৰা কৰ্তৃপক্ষৰ নিলাম-বিক্ৰীৰ জৰিয়তে নগৰীয়া কৃষি সম্পত্তিৰ নিষ্পত্তি কৰাৰ কোনো অধিকাৰ নাছিল। আইনখনে বিবেচনা কৰা অনুসৰি নিয়ম প্ৰস্তুত নকৰালৈকে, উচ্চ ন্যায়ালয়ৰ মতে কেন্দ্ৰীয় চৰকাৰৰ নগৰীয়া কৃষি সম্পত্তিৰ বিক্ৰী আৰু নিষ্পত্তিৰ বাবে প্ৰশাসনিক নিৰ্দেশনা জাৰি কৰাৰ কোনো আইনী অধিকাৰ নাছিল। *বিষেণ সিং বনাম কেন্দ্ৰীয় চৰকাৰ*- ৰ গোচৰত সেই আদালতৰ খণ্ড বিচাৰপীঠৰ পূৰ্বৰ সিদ্ধান্তৰ ওপৰত নিৰ্ভৰ কৰি এই দৃষ্টিভংগী গ্ৰহণ কৰা হৈছিল। *বিষান গোচৰ*-ত খণ্ড বিচাৰপীঠে এই অভিমত গ্ৰহণ কৰিছিল যে, যিহেতু ক্ষতিপূৰণ সামগ্ৰিক সম্পত্তিৰ *নিষ্পত্তি কৰিব পৰা নিয়মৰ অধীনত আছিল,* আৰু যিহেতু কোনো নিয়ম প্ৰস্তুত কৰা হোৱা নাছিল,

সেয়েহে কেন্দ্ৰীয় চৰকাৰৰ আইন অনুসৰি নগৰীয়া কৃষি ভূমি নিলাম-বিক্ৰীৰ জৰিয়তে স্থানান্তৰ কৰাৰ ব্যৱস্থা কৰা প্ৰশাসনিক নিৰ্দেশনা জাৰি কৰাৰ কোনো অধিকাৰ নাছিল। আমাৰ মতে, উচ্চ ন্যায়ালয়ে গ্ৰহণ কৰা দৃষ্টিভংগী ভুল। য'ত কোনো বিধিয়ে কৰ্তৃপক্ষক কিছুমান কাম কৰাৰ বা কিছুমান বিষয়ৰ ক্ষেত্ৰত ক্ষমতা প্ৰয়োগ কৰাৰ ক্ষমতা প্ৰদান কৰে, নিয়মৰ অধীনত, বিধিৰ দ্বাৰা প্ৰদান কৰা ক্ষমতাৰ প্ৰয়োগ নিয়মৰ অস্তিত্বৰ ওপৰত নিৰ্ভৰ নকৰে যদিহে, এই বিধিৰ অধীনত স্পষ্টভাৱে ইয়াৰ ব্যৱস্থা নকৰে। অন্য অৰ্থত ক'বলৈ গ'লে নিয়ম প্ৰস্তুত কৰাটো বিধিৰ দ্বাৰা স্পষ্টভাৱে আৰু চৰ্তবিহীনভাৱে প্ৰদান কৰা ক্ষমতাৰ প্ৰয়োগৰ পূৰ্বৰ চৰ্ত নহয়। "*নিয়মৰ অধীনত*" অভিব্যক্তিটোৰ অৰ্থ কেৱল নিয়ম অনুসৰি, যদি থাকে। যদি নিয়ম প্ৰস্তুত কৰা হয়, কৰ্তৃপক্ষক এনেদৰে প্ৰদান কৰা ক্ষমতা এই নিয়ম অনুসৰি ব্যৱহাৰ কৰিব পাৰি। কিন্তু, যদি কোনো নিয়ম প্ৰস্তুত কৰা নহয় তেন্তে কোনো শূন্যতা নাই আৰু কৰ্তৃপক্ষক বিধিৰ দ্বাৰা প্ৰদান কৰা ক্ষমতা প্ৰয়োগ কৰাত বাধা দিয়া নহয়।"

৩২. শ্ৰী শৰ্মাই *কাজি* (সুপ্ৰা)ত বিচাৰপীঠৰ মতামতৰ ওপৰত গুৰুত্ব আৰোপ কৰে যে, নাগৰিকৰ অধিকাৰ উলংঘন কৰা প্ৰশাসনিক ক্ষমতাক উপযুক্ত আইনৰ দ্বাৰা সমৰ্থন কৰিব লাগিব।

ষষ্ঠ অনুসূচীত অন্তৰ্ভুক্ত সাংবিধানিক ব্যৱস্থাৰ সন্দৰ্ভত ওপৰত উল্লেখ কৰা পৰ্যবেক্ষণ কৰা হৈছে।

ভাৰতৰ সংবিধানৰ অনুচ্ছেদ ৭৩ আৰু ১৬২ অনুসৰি প্ৰণয়ন কৰা প্ৰশাসনিক আদেশ আৰু ইয়াৰ ষষ্ঠ অনুসূচীৰ অধীনত প্ৰণয়ন কৰা এক প্ৰশাসনিক আদেশৰ মাজত পাৰ্থক্য আছে।

তদুপৰি সেৱা প্ৰদানৰ ক্ষেত্ৰত মাচুল আৰোপ কৰাটোৱে কোনো ব্যক্তিৰ অধিকাৰ উলংঘন নকৰে।

৩৩. ট্ৰাকৰ চালক/মালিকসকলে তেওঁলোকৰ বিধিবদ্ধ দায়বদ্ধতা পূৰণৰ বাবে ৱেইব্ৰিজৰ সেৱা ল’ব লাগিব। তেওঁলোকে এনে সেৱাসমূহ বিনামূলীয়াকৈ লাভ কৰিব নোৱাৰে। যেতিয়া ব্যক্তিগত পক্ষসমূহক এনে ৱেইব্ৰিজ স্থাপন কৰাৰ অধিকাৰ দিয়া হয়, নিঃসন্দেহে তেওঁলোক যুক্তিসঙ্গত লাভৰ অধিকাৰী হ'ব।

এইটো লেখ আবেদনকাৰী-উত্তৰদাতাৰ যুক্তি নাছিল যে, তেওঁলোকৰ ট্ৰাকবোৰ ৱেইব্ৰিজত ওজন কৰোৱাৰ বাবে আৰোপ কৰা মাচুল অত্যাধিক বা তেওঁলোকে তেওঁলোকৰ ট্ৰাকবোৰ কেইবাটাও স্থানত ওজন কৰিবলৈ বাধ্য হয়, যদিও তেওঁলোকে অন্যথা আইনৰ ২১১ নং ধাৰাত নিৰ্ধাৰিত বিধিবদ্ধ প্ৰয়োজনীয়তা পূৰণ কৰে।

৩৪. শ্ৰী শৰ্মাই এই আদালতৰ এক সিদ্ধান্তৰ প্ৰতি আমাৰ দৃষ্টি আকৰ্ষণ কৰিছে, যাৰ ভিতৰত আছে আয়ুক্ত, হিন্দু ধৰ্মীয় অনুদান বনাম শ্ৰী শিৰুৰ মঠৰ শ্ৰী লক্ষ্মীন্দ্ৰ তীৰ্থ স্বামীয়াৰ, [এ. আই. আৰ. ১৯৫৪ এছ. চি. ২৮২]।

> "৪৪. এতিয়া মাচুলৰ কথা ক'বলৈ গ'লে, "মাচুল"ক সাধাৰণতে কোনো চৰকাৰী সংস্থাৰ দ্বাৰা ব্যক্তিসকলক প্ৰদান কৰা বিশেষ সেৱাৰ মাচুল হিচাপে সংজ্ঞায়িত কৰা হয়। মাচুলৰ পৰিমাণ চৰকাৰে সেৱা প্ৰদান কৰাৰ বাবে কৰা ব্যয়ৰ ওপৰত আধাৰিত হ'ব বুলি ধাৰণা কৰা হয়, যদিও বহু ক্ষেত্ৰত ব্যয়বোৰ ইচ্ছাকৃতভাৱে মূল্যায়ন কৰা হয়। সাধাৰণতে, মাচুলবোৰ একেধৰণৰ আৰু বিভিন্ন গ্ৰহণকাৰীৰ পৰিশোধ কৰাৰ বিভিন্ন সামৰ্থ্যৰ কোনো হিচাপ লোৱা নহয়। এইবোৰ নিঃসন্দেহে কিছুমান সাধাৰণ বৈশিষ্ট্য, কিন্তু বিভিন্ন ধৰণৰ মাচুল থাকিব পাৰে, গতিকে সকলো ক্ষেত্ৰতে প্ৰযোজ্য হ'ব পৰা সংজ্ঞা প্ৰস্তুত কৰাটো সম্ভৱ নহয়।"

অনুমোদিত অনুপাতৰ ক্ষেত্ৰত বিতৰ্ক নাই।

৩৫. অৱশ্যে, আমি লক্ষ্য কৰিব পাৰো যে, প্ৰশ্নটো জিন্দাল ষ্টেইনলেছ লিমিটেড (২) আৰু অন্যান্য বনাম হাৰিয়ানা ৰাজ্য আৰু অন্যান্য [(২০০৬) ৭ এচ.চি.চি. ২৪১] গোচৰত এই আদালতৰ সাংবিধানিক বিচাৰপীঠে বিবেচনা কৰিছে। বিচাৰপীঠে তলত উল্লেখ কৰা চৰ্তসমূহৰ ভিতৰত 'কৰ' 'মাচুল' আৰু 'ক্ষতিপূৰণমূলক কৰ'ৰ মাজৰ পাৰ্থক্য লক্ষ্য কৰিছে:-

> ৪০. কমন বাৰদেন (সাধাৰণ বোজা)ৰ অংশ হিচাপে কৰ আৰোপ কৰা হয়। কৰ আৰোপ কৰাৰ আঁৰৰ নীতি হৈছে- কৰদাতাৰ পৰিশোধ কৰাৰ সামৰ্থ্য নীতি। মাচুল বা ক্ষতিপূৰণমূলক কৰৰ আধাৰ একেই। মাচুল বা ক্ষতিপূৰণমূলক কৰৰ মূল আধাৰ হৈছে পৰিমাণগত আৰু পৰিমাপযোগ্য লাভ। এটা কৰৰ ক্ষেত্ৰত, যদিও কোনো লাভ আছে, চৰকাৰী পদক্ষেপৰ ক্ষেত্ৰতো সেইটো আনুষংগিক আৰু যদিও চৰকাৰী পদক্ষেপৰ ফলত এনে লাভ হয়,

তথাপিও সেইটো পৰিমাপযোগ্য নহয়। সমতুল্যতাৰ নীতিৰ অধীনত, মাচুল বা ক্ষতিপূৰণমূলক কৰৰ ক্ষেত্ৰত প্ৰযোজ্য হোৱাৰ দৰে, এক পৰিমাণযোগ্য তথ্যৰ ইংগিত আছে, অৰ্থাৎ এক লাভ যি পৰিমাপযোগ্য।"

[এম. চন্দ্ৰু বনাম সদস্য সচিব, চেন্নাই মহানগৰ উন্নয়ন কৰ্তৃপক্ষ আৰু অন্যান্য, [২০০৯ (২) এচ.চি.এ.এল.ই. ৭৫০] চাওক।

৩৬. বেছি প্ৰাসংগিক নহয়, আমি লক্ষ্য কৰিব পাৰো যে, বিমল কুমাৰী বনাম হাৰিয়ানা ৰাজ্য আৰু অন্যান্য, [(১৯৯৮) ৪ এচ. চি. চি. ১১৪] গোচৰৰ এই আদালতে ৰায় দিছে যে, আনকি খচৰা নিয়মবোৰো অনুসৰণ কৰিব পাৰি য'ত বিধিবদ্ধ ব্যৱস্থা অনুসৰি কোনো নিয়ম প্ৰস্তুত কৰা হোৱা নাই। [লগতে, গুজৰাট উচ্চ ন্যায়ালয় বনাম গুজৰাট কিষাণ মজদুৰ পঞ্চায়ত, [(২০০৩) ৪ এচ. চি. চি. ৭১২] আৰু মহাবীৰ ভিজিটেবল অইল (পি) লিমিটেড আৰু অন্যান্য বনাম হাৰিয়ানা ৰাজ্য আৰু অন্যান্য, [(২০০৬) ৩ এচ. চি. চি. ৬২০] চাওক।

৩৭. ইণ্ডিয়ান এক্সপ্ৰেছ নিউজপেপাৰ্চ (বোম্বাই) প্ৰাইভেট লিমিটেড আৰু অন্যান্য বনাম ভাৰত চৰকাৰ আৰু অন্যান্য, [(১৯৮৫) ১ এচ. চি. চি. ৬৪১]ত এই আদালতৰ সিদ্ধান্তৰ ওপৰত নিৰ্ভৰ কৰি ৰঞ্জিত কুমাৰে দাবী কৰিব যে, ৰাজ্যখনক নিয়ম প্ৰস্তুত কৰিবলৈ নিৰ্দেশ দিয়াৰ ক্ষেত্ৰত উচ্চ ন্যায়ালয়ৰ কোনো অধিকাৰ নাই। আমি উক্ত প্ৰশ্নত মনোনিবেশ কৰাৰ প্ৰয়োজন নাই কিয়নো, আমাৰ সন্মুখত মেঘালয় ৰাজ্যৰ হৈ হাজিৰ হোৱা বিদ্বান পৰামৰ্শদাতা মুখাৰ্জীয়ে এক স্পষ্ট বিবৃতি দিছিল যে, নিয়মবোৰ আঠ সপ্তাহৰ ভিতৰত প্ৰস্তুত কৰা হ'ব।

৩৮. সুৰিন্দৰ সিঙ (সুপ্ৰা) গোচৰত এই আদালতে মত প্ৰকাশ কৰিছিল যে, এই নিৰ্দেশ বাতিল কৰাৰ পূৰ্বে উচ্চ ন্যায়ালয়ৰ আগত ইয়াৰ এটা প্ৰতিলিপি দাখিল কৰিব লাগিব। ইয়াৰ উপৰিও ৰাজ্য চৰকাৰে জাৰি কৰা নিৰ্দেশৰ বৈধতাৰ ওপৰত এজন ক্ষুব্ধ ব্যক্তিয়ে ইয়াৰ বাবে ভিত্তিত প্ৰশ্ন উত্থাপন কৰিব

লাগে। সেই কাৰণবোৰ পূৰণ কৰি ৰাজ্যখনক প্ৰতি-প্ৰমাণপত্ৰ দাখিল কৰাৰ সুযোগ দিব লাগিব।

৩৯. সেয়েহে, মত পোষণ কৰে যে, বিচাৰাধীন ৰায়টো বহনক্ষম নহয়। সেয়েহে, একেখিনি আঁতৰাই ৰখা হয়।

৪০. লেখ আবেদনকাৰীসকলে উক্ত স্মাৰকপত্ৰৰ বৈধতা বা অন্য ধৰণৰ প্ৰশ্ন উত্থাপন কৰি অতিৰিক্ত হলফনামা (হলফনামাসমূহ) দাখিল কৰাৰ স্বাধীনতা থাকিব। উচ্চ ন্যায়ালয়ে ৰাজ্য আৰু অন্যান্য আগ্ৰহী পক্ষক উচ্চ ন্যায়ালয়ৰ আগত তেওঁলোকৰ নিজ নিজ গোচৰ উপস্থাপন কৰাৰ সুযোগ দিব লাগিব।

৪১. উচ্চ ন্যায়ালয়ে এই গোচৰৰ বিচিত্ৰ তথ্য আৰু পৰিস্থিতিত ইয়াৰ আগত চলি থকা বিষয়বোৰ একেলগে পৰ্য্যালোচনা কৰাৰ ইচ্ছাও বিবেচনা কৰিব পাৰে, যদি ইতিমধ্যে নিষ্পত্তি কৰা হোৱা নাই, যাতে লেখ-আবেদনকাৰীসকলে উত্থাপন কৰা বিষয়বোৰ ব্যাপকভাৱে মোকাবিলা কৰিব পাৰে।

৪২. আবেদনৰ অনুমতি দিয়া হৈছে। খৰচ অবিহনে।

............ ন্যায়াধীশ

[এছ্. বি. সিনহা]

............ ন্যায়াধীশ

[দীপক বাৰ্মা]

নতুন দিল্লী ১০ জুলাই, ২০০৯

---

অনুবাদ: ড. অৰ্চ্চনা দেৱী, কনিষ্ঠবৰ্গ অনুবাদক

অনুবাদ শাখা, গৌহাটী উচ্চ ন্যায়ালয়

DISCLAIMER

The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be

used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation.

"স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহ'ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৰেই সঠিক বুলি বিবেচিত হ'ব।"